অসমীয়া চুটিগল্পৰ দ্বিতীয় যুগ আৰম্ভ হয় ১৯২৯ চনত কলিকতাৰ পৰা 'আৱাহন' কাকত প্ৰকাশ হোৱাৰ লগে লগে। জোনাকীত জন্ম লভা অসমীয়া গল্প সাহিত্যৰ ধাৰাটোক আৱাহন কাকতে এটা নতুন মাত্ৰা প্ৰদান কৰি সমৃদ্ধি আৰু বিকাশ সাধনত এক অবিস্মৰণীয় অৱদান আগবঢ়ালে। অৰ্থাৎ জোনাকীৰ মাজেৰে আত্মপ্ৰকাশ কৰা অসমীয়া চুটিগল্পই ৰূপ-বস্তু আৰু ভাব-বস্তুৰ বৈচিত্ৰ্যৰে 'আৱাহন'ৰ পাতত বিকাশ আৰু বিস্তাৰ লাভ কৰে। পাশ্চাত্য প্ৰভাৱেৰে জোনাকী যুগতে গল্পকাৰসকলে নৱন্যাসৰ পাতনি মেলে যদিও আৱাহন আলোচনীতহে এই প্ৰভাৱ অধিক বিকশিত হৈ উঠা দেখা যায়, কিয়নো, মনকৰিবলগীয়া যে বিশ্ববিশ্ৰুত গল্পকাৰ মোপাঁছা, চেখভ আদিৰ আৰ্হিৰে বিষয়-বস্তু দাঙি ধৰাৰ আৰু ফ্ৰয়েডৰ অনুপ্ৰেৰণাৰে মানৱ মনৰ প্ৰকৃতি বিশ্লেষণ কৰাৰ চেষ্টা এই সময়ৰ কিছুসংখ্যক গল্পৰ মাজত পৰিস্ফূট হৈ উঠিল। ইংৰাজী ভাষাৰ যোগেদি সৰবৰাহ হোৱা জাৰ্মান চুটিগল্পৰ ৰোমাণ্টিক বাস্তৱবাদেও এই যুগৰ গল্পকাৰসকলক চুই গৈছিল। হেনৰি জেম্‌ছ আৰু ডি. এইচ লৰেন্সৰ দৰে গল্পৰ চৰিত্ৰৰ অন্তৰ্জগতৰ অন্বেষণ কৰা, মানৱ জীৱনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া অংকিত কৰাৰ প্ৰচেষ্টাও ভালেসংখ্যক গল্পত পৰিলক্ষিত হয়। এড্‌গাৰ এলেন পোৰ গল্পৰ ছাঁ কিছুসংখ্যক গল্পত ছেগা-চোৰোকাকৈ পৰাটো উল্লেখনীয়। "ৰোমাণ্টিক ভাববিলাসৰ উন্মাদনা, কল্পনাৰ মুক্ত গতি, ভাষাৰ সূক্ষ্ম ব্যঞ্জনা, মনস্তাত্ত্বিক বিশ্লেষণ আৰু প্ৰগতিশীল ৰীতি 'আৱাহন'ৰ গল্পকাৰসকলৰ ৰচনাত দেখা যায়।"[১৫] মুঠতে পাশ্চাত্য সাহিত্যৰ আদৰ্শৰ সুন্দৰ প্ৰতিফলন আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্য। আৱাহনৰ জৰিয়তে আত্মপ্ৰকাশ কৰা গল্পসাধকসকলৰ ভিতৰত বিশেষ কেইগৰাকীমান হ'ল 'আৱাহন' কাকতৰ প্ৰতিষ্ঠাতা নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, ৰাধিকা মোহন গোস্বামী, লক্ষ্মীধৰ শৰ্মা,

হলিৰাম ডেকা, ৰমা দাশ, বীণা বৰুৱা, ত্ৰৈলোক্য নাথ গোস্বামী, কৃষ্ণ ভূঞা, দীননাথ শৰ্মা আৰু প্ৰবোধ গোস্বামী ইত্যাদি। অৱশ্যে ইয়াৰে দুই এজনে প্ৰাক্-আৱাহন বা আৱাহনৰ পূৰ্ব কালতে গল্পলিখাৰ পাতনি মেলিছিল।

আৱাহনৰ প্ৰতিষ্ঠাপক গল্পকাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ এই আলোচনীৰ পাতত প্ৰকাশিত গল্পসমূহ হৈছে *ধন ভঁৰাল, ভাগ বাটোৱাৰা, ৰসায়ন* ইত্যাদি। আৱাহনৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত চৌধুৰীৰ *পোহাৰী* নামৰ গল্পটো প্ৰকাশ পাইছিল। জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পত সমসাময়িক সমাজৰ তিনিটা ৰূপ ধৰা দিছে— ইংৰাজ ৰাজত্বত জমিদাৰী শাসনত সাধাৰণ মানুহৰ দুৰ্দশা, জনজাতীয় সহজ-সৰল জীৱন-চিত্ৰ আৰু গোৱালপাৰা জিলাৰ সামাজিক জীৱনৰ বাস্তৱ চিত্ৰ। "মানুহৰ মনস্তত্ত্ব আৰু মানৱিক সম্পৰ্কৰ ওপৰত ধনৰ প্ৰভাৱ আৰু তাৰ প্ৰতিক্ৰিয়া— এই ধৰণৰ বিষয়-বস্তুৰ অৱতাৰণা কৰি অসমীয়া গল্প সাহিত্যত তেওঁ এটি নতুন ধাৰা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিল।"[১৬]

প্ৰাক্-আৱাহন যুগৰ আলোচনীৰ পাতত আত্মপ্ৰকাশ কৰি 'আৱাহন'ৰ যোগেদি প্ৰতিষ্ঠিত হোৱা এগৰাকী কৃতী, সমাজ সচেতন গল্পকাৰ হ'ল লক্ষ্মীনাথ ফুকন। ১৯১৮ খ্ৰীঃতে ছটা গল্পৰ এখনি গল্প সংকলন *মালা*ৰ যোগেদি আত্মপ্ৰকাশ কৰা ফুকনে পাছলৈ *ওফাইডাং* (১৯৫২ খ্ৰীঃ), *মৰমৰ মাধুৰী* (১৯৬৩ খ্ৰীঃ) আৰু *আশাত উৎফুল্ল প্ৰাণ* (১৯৬৫ খ্ৰীঃ) নামৰ সংকলন তিনিখনেৰে গল্পকাৰ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰে। তদানীন্তন সমাজৰ বাস্তৱ সমস্যা আৰু মানৱ জীৱনৰ দুখ দুৰ্দশা, হতাশা-নিৰাশা আদি তেওঁৰ গল্পত অতি বাস্তৱধৰ্মী ৰূপত প্ৰকাশিত হৈছে। *মেধি, ডাক্তৰ, টাইপিষ্টৰ জীৱন* আদি এনেধৰণৰ গল্পৰ উৎকৃষ্ট উদাহৰণ। লক্ষ্মীনাথ ফুকনৰ গল্পৰ ভাষা সহজ-সৰল আৰু জতুৱা-ঠাঁচ সমৃদ্ধ। আনহাতে হাস্যৰসযুক্ত সাৱলীল প্ৰকাশভংগী তেওঁৰ গল্পৰ এটি প্ৰধান বৈশিষ্ট্য। জোনাকী যুগতেই লক্ষ্মীনাথ বেজবৰুৱাই প্ৰতিষ্ঠা কৰি থৈ যোৱা হাস্য-ব্যংগৰ ধাৰাটো অসমীয়া গল্পত অব্যাহত ৰাখি আৱাহনৰ পাতত গল্প-সাধনা কৰা মহীচন্দ্ৰ বৰা এগৰাকী সমাজ সচেতন গল্পকাৰ। তেওঁৰ গল্পত সমাজত প্ৰচলিত অন্যায়-অবিচাৰ আৰু কঠোৰতাৰ বা নিৰ্দয়তাৰ প্ৰতিচ্ছবি ব্যংগাত্মক দৃষ্টিভংগীৰে উপস্থাপন কৰা হৈছে। *ছিৰাজ, পৰাজয়, ব্যৰ্থতাৰ দান* আদি যুগশ্ৰেষ্ঠ গল্প লিখি 'আৱাহন'ৰ জৰিয়তে প্ৰতিষ্ঠা লাভ কৰা এগৰাকী শক্তিশালী গল্পলেখক লক্ষ্মীধৰ শৰ্মা। লক্ষ্মীধৰ শৰ্মা এগৰাকী বাস্তৱবাদী গল্পকাৰ। প্ৰেম-প্ৰণয়ৰ লগতে জীৱনৰ জৈৱিক সমস্যাসমূহকো তেওঁ আধুনিক দৃষ্টি-দৰ্শনেৰে চাইছিল। মোপাঁছাৰ প্ৰকৃতিবাদী ধাৰণাৰ দ্বাৰা তেওঁ আকৃষ্ট হৈছিল। চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ আৰু সামাজিক সচেতনতাৰ আদৰ্শ তেওঁৰ গল্পত মনকৰিবলগীয়া দিশ। গতিকে ক'ব পৰা যায় যে, ফ্ৰয়েডীয় আৰু মাৰ্ক্সীয় চিন্তাৰ প্ৰভাৱে তেওঁৰ গল্পত সাঁচ পেলাইছিল। তেওঁৰ গল্পতে পোনপ্ৰথমে নাৰীয়ে পৰম্পৰাগত সামাজিক বান্ধোনৰ বিপৰীতে গৈ বিপ্লৱৰ ঘোষণা কৰিছিল।

আৱাহন যুগৰ আন এগৰাকী গল্পকাৰ হলিৰাম ডেকাৰ গল্পৰ আকৰ্ষণীয় দিশটো হ'ল জীৱনবোধৰ গভীৰতা। সংক্ষিপ্ত পৰিসৰৰ ভিতৰত বা গণ্ডীত চৰিত্ৰ বিকাশ আৰু ভাৱৰ প্ৰকাশেৰে গল্প ৰচনা কৰা ডেকাৰ গল্পত চেখভৰ প্ৰভাৱ মনকৰিবলগীয়া। চেখভৰ দৰে সাধাৰণ পৰিস্থিতি বা ঘটনা এটি তাৎপৰ্যপূৰ্ণ ৰূপে ৰূপায়ণ কৰা ডেকা এগৰাকী সাৰ্থক গল্পকাৰ। আৱাহন যুগৰ এগৰাকী সুপৰিচিত গল্পকাৰ ৰমা দাশ। *অচল টকা, বৰ্ষা যেতিয়া নামে, অবুজ মায়া, কোন এওঁ নতুন মিৰাণ্ডা* আদি তেওঁৰ শ্ৰেষ্ঠ গল্প। ৰমা দাশৰ বিখ্যাত গল্প সংকলন হৈছে '*ৰমা দাশৰ শ্ৰেষ্ঠ গল্প*'। তেওঁৰ গল্পত আছে সামাজিক দায়বদ্ধতা আৰু জীৱনবোধৰ গভীৰতাৰ পৰিচয়। ৰমা দাশৰ গল্পত মানৱ হৃদয়ৰ গোপন ৰূপটোৰ পৰিচয় পোৱা যায়। তেওঁৰ গল্পৰ ঘাই উপজীৱ্য হ'ল প্ৰেম, বিবেক, যৌৱন, চেতনা, পাপবোধ ইত্যাদি প্ৰবৃত্তি। তেওঁৰ দুই এটা গল্পত নৰ-নাৰীৰ সম্পৰ্কৰ অন্তহীন ৰহস্যানুসন্ধানৰ ভাৱোচ্ছাস পৰিস্ফুট হৈছে। নৰ-নাৰীৰ প্ৰেমেৰে সিক্ত মানুহৰ জৈৱিক কামনাৰ সংস্কাৰমুক্ত বিশ্লেষণ অথবা নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক ভাববিলাসিতা আৱেগ প্ৰৱণ প্ৰকাশভংগীৰে তেওঁ দাঙি ধৰিছে। দাশৰ গল্পত নৰ-নাৰীৰ প্ৰেম জৈৱিক বাসনাৰে স্বীকৃত হৈছে আৰু ই প্ৰেমৰ গভীৰতালৈ সোমাব পৰা নাই। এই যুগৰে আন এগৰাকী গল্পকাৰ বীণা বৰুৱাৰ গল্পত আছে সমাজ জীৱনৰ প্ৰতিচ্ছবি, সহজ-সৰল প্ৰকাশভংগী আৰু বাস্তৱধৰ্মী চৰিত্ৰ চিত্ৰণ। বীণা বৰুৱাৰ গল্পসমূহত তেওঁৰ জীৱনৰ আগবয়সৰ ৰোমাণ্টিক ভাৱোচ্ছাসৰ প্ৰভাৱ পৰিলক্ষিত হয়। শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ ৰোমাণ্টিক আৱেগপূৰ্ণ মনৰ ৰূপ, ৰং আৰু ঘাত-প্ৰতিঘাত অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। তেওঁৰ গল্পসমূহক প্ৰধানকৈ তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি — বিদেশী গল্পৰ অনুবাদ বা ছাঁ পৰা গল্প, জীৱনৰ ডেকা বয়সত ৰচনা কৰা কলেজীয়া ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি সম্পৰ্কীয় আৱেগ-অনুভূতিপ্ৰৱণ গল্প আৰু জীৱনৰ গভীৰ অভিজ্ঞতাপুষ্ট সমাজ সচেতনতা মূলক বাস্তৱধৰ্মী গল্প। *পট পৰিৱৰ্তন* আৰু *আঘোণী বাই* — এই দুখন গল্পপুথিৰে তেওঁ অসমীয়া গল্প সাহিত্যৰ ধাৰাক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। *আঘোণী বাই* তেওঁৰ শ্ৰেষ্ঠ গল্প। আৱাহন যুগৰ আন এগৰাকী কৃতী গল্পসাধক হ'ল ত্ৰৈলোক্যনাথ গোস্বামী। তেওঁ *অৰুণা, মৰীচিকা, শিল্পীৰ জন্ম* আদি গল্পপুথিৰে প্ৰতিষ্ঠা লাভ কৰিছে। ত্ৰৈলোক্যনাথ গোস্বামীয়ে ১৯৬৫ চনত *আধুনিক গল্প সাহিত্য* গ্ৰন্থৰ বাবে অসম সাহিত্য বঁটা আৰু ১৯৬৬ চনত একেখনি গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। গোস্বামীৰ গল্পৰ মূল সুৰ সমাজ সচেতনতা। সেয়েহে তেওঁৰ সৰহভাগ গল্পতে সামাজিক অন্যায়, দুৰ্নীতি, অবিচাৰ, ধনী-দুখীয়াৰ বৈষম্য, দ্বন্দ্ব মুখ্য উপজীৱ্য ৰূপে ধৰা দিছে। ভাব-বস্তুৰ একমুখিতা, ভাষাৰ সৰলতা, অজটিল প্ৰকাশভংগী, কাহিনী কথনত গুৰুত্বৰ বাবে গোস্বামীৰ গল্প সহজবোধ্য। এই যুগৰে আন এজন বিশিষ্ট গল্পলেখক ৰাধিকামোহন গোস্বামী। তেওঁৰ গল্পৰ সংখ্যা কম যদিও সৰহভাগ গল্প শিল্পগুণেৰে সমৃদ্ধ। গোস্বামীৰ গল্পত চিত্ৰিত হৈছে মানুহৰ বাস্তৱ জীৱনৰ সৰু-সুৰা

ঘটনা আৰু মনোদ্বন্দ্বৰ চিত্ৰণেৰে মধ্যবিত্ত ব্যক্তি জীৱনৰ প্ৰাপ্তি-অপ্ৰাপ্তি আৰু আনন্দ-বেদনাৰ ছবি। একোটা বিশেষ পৰিস্থিতিৰ মাধ্যমত চৰিত্ৰসমূহক সেই পৰিস্থিতিৰ সৈতে খাপ খুৱাব পৰাকৈ প্ৰকাশ কৰাটোৱেই হ'ল ৰাধিকামোহন গোস্বামীৰ গল্পৰ এক বিশেষ বৈশিষ্ট্য।

আৱাহন যুগতে গল্পকাৰৰূপে আত্মপ্ৰকাশ লাভ কৰা কৃষ্ণ ভূঞা 'পৰৱৰ্তী ৰামধেনু' যুগৰো এগৰাকী কৃতী গল্পসাধক। "ভূঞাৰ চুটিগল্পৰ আয়তন সীমিত; অথচ এই সংক্ষিপ্ত পৰিসৰৰ ভিতৰতে বিষয়-বস্তু, ভাব-বস্তু আৰু চৰিত্ৰ অতি স্পষ্টৰূপে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। ভূঞাৰ গল্পৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হ'ল অন্তৰ্মুখীন দৃষ্টিৰে জীৱনৰ সত্যানুসন্ধান কৰা।"[১৭] ভূঞাৰ গল্পত জীৱনৰ অন্তৰ্মুখীন অনুবীক্ষণত দাৰ্শনিকসুলভ দৃষ্টি প্ৰদান কৰা বাবে দাৰ্শনিকতা আৰু মনঃসমীক্ষণ দুয়োটাই প্ৰাধান্য লাভ কৰিছে। সেয়েহে এওঁৰ চুটি গল্পত জীৱনৰ বুদ্ধিনিষ্ঠ বিশ্লেষণৰ প্ৰকাশ মনকৰিবলগীয়া।

উপৰিউক্ত গল্পকাৰসকলৰ উপৰিও আৱাহনত গল্প ৰচনা কৰি অসমীয়া গল্প সাহিত্যক বিশিষ্ট মাত্ৰা প্ৰদান কৰা এই যুগৰ অন্যান্য গল্পকাৰসকল হৈছে দীননাথ শৰ্মা, মুনীন বৰকটকী, দ্বীপান্বিতা চৌধুৰী, উমেশ চন্দ্ৰ শইকীয়া, উমাকান্ত শৰ্মা, চাহ চৈয়দ হাছান আলী আদি। এইসকলৰ ন-ন দৃষ্টিভংগীসম্ভুত সৃষ্টিশীলতাৰ বাবেই আৱাহন যুগৰ অসমীয়া চুটিগল্পই বিকাশ আৰু সমৃদ্ধি লাভ কৰিবলৈ সক্ষম হয়।

অসমীয়া সাহিত্যত ১৯৪০ খ্ৰীষ্টাব্দৰ পৰা সকলো ক্ষেত্ৰতে এক পৰিৱৰ্তনে দেখা দিলে। দ্বিতীয় বিশ্বযুদ্ধ, ৪২ ৰ গণবিপ্লৱ, গান্ধীজীৰ অহিংস আন্দোলনৰ প্ৰভাৱত সৃষ্টি হোৱা দেশ-প্ৰেম, সমাজবাদী গণমুখী চেতনাই সাহিত্যিকসকলক নতুন দৃষ্টিভংগীৰে উজ্জীৱিত কৰিলে। দ্বিতীয় মহাযুদ্ধৰ প্ৰাক্কক্ষণত প্ৰকাশ লাভ কৰা জয়ন্তীয়ে এটা যুগ সৃষ্টি কৰি নগ'লেও নতুন যুগৰ বীজ আৰু বাৰ্তা দুয়োটাই কঢ়িয়াই আনিলে। ৰোমাণ্টিক ভাৱ-বিলাসিতাৰ বিৰুদ্ধে বাস্তৱবাদী আৰু সমাজতান্ত্ৰিক দৃষ্টিভংগীৰ প্ৰতিষ্ঠা, ভাব-বস্তু আৰু ৰূপ-বস্তুত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা — এয়ে আছিল নব্যধাৰাৰ বিশেষত্ব। গল্পৰ ক্ষেত্ৰতো এনে ৰূপান্তৰিত মূল্যবোধৰ প্ৰসাৰ আৰু প্ৰচাৰ পৰিলক্ষিত হ'ল। ১৯৪৩ খ্ৰীঃৰ নৱেম্বৰ মাহত কমল নাৰায়ণ দেৱৰ সম্পাদনাত জয়ন্তীয়ে পুনৰ প্ৰতিষ্ঠিত হৈ অসমীয়া সাহিত্যত নতুনত্বৰ সূচনা কৰিলে। নতুন ৰূপত ঠন ধৰি উঠা জয়ন্তীয়ে কমল নাৰায়ণ, চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু ভৱানন্দ দত্তৰ নেতৃত্বত অসমীয়া সাহিত্যলৈ প্ৰগতিবাদী আদৰ্শৰ বীজ কঢ়িয়াই আনে। "সাহিত্যৰ ভাষাত ইয়াক প্ৰগতিশীল 'জয়ন্তী' বোলা হৈছিল। এইপ্ৰগতিশীল 'জয়ন্তী'খন ১৯৪৬ চনৰ এপ্ৰিল মাহলৈকে জীয়াই থাকি নতুন বেহ-ৰূপৰ সাম্যবাদী-সমাজবাদী সাহিত্যৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।"[১৮] জয়ন্তীৰ পাতত গল্প লিখি প্ৰসিদ্ধি লাভ কৰা ন-পুৰণি গল্পকাৰসকল হ'ল— চৈয়দ আব্দুল মালিক, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ত্ৰৈলোক্য নাথ গোস্বামী, গোবিন্দ চন্দ্ৰ পৈৰা, ইন্দিবৰ গগৈ, কৃষ্ণ ভূঞা, অনিৰুদ্ধ কটকী,

মাখন দুৱৰা, সদানন্দ দাস, ৰাধিকামোহন গোস্বামী, ৰাধিকামোহন ভাগৱতী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ইত্যাদি। 'জয়ন্তী'য়ে ৰোমাণ্টিক যুগৰ অৱসান ঘটাই নতুন চিন্তাৰ উন্মেষেৰে স্বৰাজোত্তৰ কালৰ সাহিত্যিকসকলকো অনুপ্ৰেৰণা দিলে। এনেদৰে বিহগী কবি ৰঘুনাথ চৌধুৰীৰ সম্পাদনাত ১৯৩৮ চনৰ পৰা প্ৰকাশ হ'বলৈ ধৰা 'জয়ন্তী' আলোচনীখনে সাতোটা বছৰ কাল অতিক্ৰম কৰি অসমীয়া চুটিগল্প সাহিত্যৰ ইতিহাসত আসন দখল কৰিবলৈ সক্ষম হ'ল।